# 2018

## ASSAMESE

( Major )

Paper : 6.4

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ লিখা : ১×৭=৭

(ক) লক্ষ্মীনাথ বেজবৰুৱাৰ মৰণোত্তৰভাৱে প্ৰকাশিত গল্পপুথিখনৰ নাম কি?

(খ) 'ময়না', 'বাজীকৰ', 'গল্পাঞ্জলি'—এই গল্পপুথিকেইখনৰ গল্পকাৰজনৰ নাম কি?

(গ) 'লাম্‌বাদা নাচৰ শেষত' গল্পপুথিখনৰ লেখকগৰাকীৰ নাম লিখা।

(ঘ) বিষ্ণু ৰাভাৰ জীৱনক লৈ মেদিনী চৌধুৰীয়ে লিখা উপন্যাসখনৰ নাম কি?

(ঙ) ৰাস্না বৰুৱাই অসমৰ চাহ-বাগিচাৰ পটভূমিত লিখা উপন্যাসখনৰ নাম কি?

(চ) 'অন্তৰীপ' উপন্যাসখনৰ ঔপন্যাসিকগৰাকী কোন?

(ছ) 'ফেলানী' উপন্যাসখনৰ ঔপন্যাসিকগৰাকীৰ নাম লিখা।

২। চমু উত্তৰ লিখা : ২×৪=৮

(ক) লক্ষ্মীনাথ বেজবৰুৱাৰ গল্পৰ দুটা বৈশিষ্ট্য লিখা।

(খ) জোনাকী যুগৰ দুজন অসমীয়া গল্পকাৰৰ নাম লিখা।

(গ) 'ৰংমিলিৰ হাঁহি' উপন্যাসখনৰ লেখক কোন? অসমৰ কোনটো জনগোষ্ঠীৰ বিষয়ে উপন্যাসখনত বৰ্ণনা কৰা হৈছে?

(ঘ) ভাৰতৰ কোনখন ৰাজ্যৰ পটভূমিত 'অনুৰাধাৰ দেশ' উপন্যাসখন লিখা হৈছে? উপন্যাসখনৰ ঔপন্যাসিকগৰাকীৰ নাম লিখা।

৩। যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ লিখা : ৫×৩=১৫

(ক) 'ব্যৰ্থতাৰ দান' নামটোৰ তাৎপৰ্য বিচাৰ কৰা।

(খ) "তয়ো ভাল মানুহ দে। ইমান কাঠচিতীয়া নহবিচোন। ঘৰত ল'ৰা-তিৰোতা এৰি বিহুটোত আঁতৰত কটাব পায়নে? মই কাক মূৰ দোৱাম?"

কথাকেইষাৰ কোনে, কাক, কি প্ৰসংগত কৈছে, আলোচনা কৰা।

(গ) "সেই উদাৰ ব্ৰহ্মপুত্ৰৰো এখন নোমাল হাত আছে। আছে ক'লা মেকুৰীৰ সৰ্বনশীয়া চকুৰ দৃষ্টি।"

কি প্ৰসংগত এই কথাষাৰ কোৱা হৈছে, ব্যাখ্যা কৰা।

(ঘ) 'মামৰে ধৰা তৰোৱাল' উপন্যাসখনত যশোৱন্ত চৰিত্ৰটোৰ মাজেৰে মূল্যবোধৰ চিত্ৰ কিদৰে প্ৰকাশ হৈছে, আলোচনা কৰা।

(ঙ) অসমীয়া জীৱনীমূলক উপন্যাসৰ বিষয়ে এটি চমু টোকা লিখা।

৪। (ক) 'আৱাহন যুগ'ৰ অসমীয়া গল্পৰ বৈশিষ্ট্যসমূহ বিশ্লেষণ কৰি সেই যুগৰ দুগৰাকী অসমীয়া গল্পকাৰৰ গল্পৰ বিষয়ে লিখা। ১০

*অথবা*

(খ) অসমীয়া বাস্তৱবাদী উপন্যাসৰ ধাৰা সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।

৫। (ক) লিলি আৰু তৰু চৰিত্ৰ দুটাৰ মাজেৰে নাৰীমনস্তত্ত্বৰ ভিন্-ভিন্ দিশ কিদৰে ফুটি উঠিছে, 'ব্যৰ্থতাৰ দান' গল্পটোৰ আধাৰত আলোচনা কৰা। ১০

*অথবা*

(খ) দিবাকৰৰ জীৱনলৈ অহা নাৰীৰ সংস্পৰ্শই দিবাকৰৰ জীৱনৰ ওপৰত কেনেকুৱা প্ৰভাৱ বিস্তাৰ কৰিছে, আলোচনা কৰা।

৬। (ক) 'মামৰে ধৰা তৰোৱাল' উপন্যাসখনত নিষ্পেষিত শ্ৰমিকসকলৰ মৰ্মান্তিক জীৱন-চিত্ৰ কিদৰে ফুটি উঠিছে, আলোচনা কৰা। ১০

*অথবা*

(খ) 'মামৰে ধৰা তৰোৱাল' উপন্যাসখনত শ্ৰমিকসকলৰ ধৰ্মঘট বিফল হোৱাৰ কাৰণসমূহ বিশ্লেষণ কৰা।

★★★